*ক'লকাতা প্ৰস্তাৱ ২০১৮*

**ৰিফিউজি আৰু প্ৰব্ৰজনকাৰীৰ সুৰক্ষা**

মহানিৰ্বাণ ক্যেলকাতা ৰিচাৰ্চ্ গ্ৰুপ

ৰিফিউজি আৰু প্ৰব্ৰজনকাৰীৰ সৰ্ম্পকত কৰা নিউইয়ৰ্ক প্ৰস্তাৱে(২০১৬) সাম্প্ৰতিক ৰিফিউজি আৰু প্ৰব্ৰজনকাৰী সৰ্ম্পকীয় আন্তৰ্জাতিক সুৰক্ষা নীতিসমূহৰ পৰিৱৰ্দ্ধন আৰু পুন:নিৰূপণৰ প্ৰয়োজন হৈছে বুলি প্ৰস্তাৱ গ্ৰহণ কৰে । ইয়াতেই ঠিক কৰা হয় যে ৰাষ্ট্ৰসংঘই ৰিফিউজি আৰু প্ৰব্ৰজনকাৰী নামেৰে দুখন পৃথক চুক্তি কৰিব। কিন্তু প্ৰশ্ন উদয় হয় : এই আন্তৰ্জাতিক চুক্তি কিমান দুৰ পৃথক হ'ব আৰু ই কিমান দুৰলৈ নতুন সম্ভাৱনা আৰু সমস্যাৰ সুত্ৰপাত কৰিব? সাম্প্ৰতিক কালত হোৱা মানুহৰ প্ৰব্ৰজনৰ স্থানীয় আৰু আন্তৰ্জাতিক বাস্তৱতাৰ ভিত্তিত ক্যেলকাতা ৰিচাৰ্চ্ গ্ৰুপৰ উদ্যোগত আৰু ৰ'জা লুক্সেমবাৰ্গ ষ্টিফটাং, জাৰ্মানীৰ(Rosa Luxemburg Stiftung) সহযোগত ক'লকাতাত ২৫-৩০ নৱেম্বৰ ২০১৮ ত আয়োজন কৰা " The State of the Global Protection System for Refugees and Migrants" ( ৰিফিউজি আৰু প্ৰব্ৰজনকাৰীৰ আন্তৰ্জাতিক সুৰক্ষা প্ৰণালীসমূহৰ অৱস্থা) নামৰ এক কৰ্মশালা আৰু আলোচনা চক্ৰত এই প্ৰশ্নবোৰৰ সৰ্ম্পকত আলোচনা আৰু চিন্তা-চৰ্চা কৰা হয়। এই অনুষ্ঠানত বিশ্বৰ ১৮ খন দেশৰ বিভিন্ন স্থান, অনুষ্ঠানৰ আৰু বিভিন্ন পৰিসৰৰ ১০১জন বিদ্যায়তনিক ব্যক্তিত্ব, অধিকাৰ ৰক্ষা কৰ্মী, বিভিন্ন আন্তৰ্জাতিক মানৱতাবাদী অনুষ্ঠানৰ বিষয়ববীয়া আৰু সাংবাদিকে অংশগ্ৰহণ কৰে। এক প্ৰস্তাৱ – যাক ক'লকাতা প্ৰস্তাৱ বা ডিক্লাৰেছন হিচাপে নামাংকৃত কৰা হয়, উক্ত আলোচনাচক্ৰৰ শেষৰ দিনা (৩০নৱেম্বৰ ২০১৮) বিভিন্ন বিশেষজ্ঞৰ সৈতে হোৱা আলোচনাৰ ভিত্তিত গ্ৰহণ কৰা হয়।

ক'লকাতা আলোচনা চক্ৰ "The State of the Global Protection System for Refugees and Migrants" ই তলত দিয়া বিষয়সমূহত প্ৰস্তাৱ দাঙি ধৰে :

- যোৱা দশকটোত আন্তৰ্জাতিক ৰিফিউজি প্ৰব্ৰজন ভয়ানাক পৰিস্থিতিলৈ গমন কৰা আৰু একেদৰে আন্তৰ্জাতিক প্ৰব্ৰজনকাৰীৰ পৰিভ্ৰমণৰ সংকট গভীৰ আৰু ব্যাপক হৈ পৰা পৰিপ্ৰেক্ষিতত, তেওঁলোকৰ সুৰক্ষাৰ বাবে আন্তৰ্জাতিক পৰ্য্যায়ত হোৱা বিভিন্ন ধৰণৰ মানৱ অধিকাৰ আৰু মানৱতাবাদী সুৰক্ষাৰ প্ৰক্ৰিয়াবোৰ এতিয়াও প্ৰায় প্ৰভাৱহীন হৈ আছে বা সেইবোৰ যথোপযুক্ত হৈ উঠা নাই। দীঘলীয়া প্ৰয়াসৰ পিছতো ৰিফিউজি আৰু প্ৰব্ৰজনকাৰীসকলে আজিও সমাজৰ প্ৰান্তীয় হৈয়েই জীৱন যাপন কৰিব লগা হৈছে। এনে এক পৰিস্থিতিত আন্তৰ্জাতিক পৰ্য্যায়ৰ প্ৰয়াসসমূহ আৰু তাৰ নীতিগত ৰূপটোৰ বুনিয়াদী অৱস্থান সমূহৰ অন্যতম “সুৰক্ষাৰ অধিকাৰ” আদি প্ৰক্ৰিয়াবোৰ এক লক্ষণীয় কিন্তু লজ্জাকৰ পৰিণতিৰ ফালে আগবাঢ়িছে। অন্যহাতে, স্থানীয়, আঞ্চলিক, পৰম্পৰাগত, দ্বিপাক্ষিক, আৰু বিভিন্ন ধৰনৰ বহুপাক্ষিক মানৱতাবাদী সুৰক্ষাৰ প্ৰয়াসসমূহ বা ৰিফিউজি আৰু প্ৰব্ৰজনকাৰীসকলৰ অধিকাৰ সুৰক্ষাৰ প্ৰয়াসসমূহো অবিৰতভাৱে উপেক্ষিত হৈ আহিছে অথচ এইবোৰ মানুহৰ বুনিয়াদী মানৱীয় মৰ্য্যাদাৰ অতি প্ৰাসংগিক অংশ।
- এনে এক প্ৰেক্ষাপট য’ত জনসংখ্যাগত প্ৰব্ৰজন ব্যাপক আৰু বহুত্বপূৰ্ণ হৈ উঠিছে, আৰু ৰিফিউজি আৰু প্ৰব্ৰজনকাৰীৰ সম্পৰ্কত ৰাষ্ট্ৰৰ দায়িত্ব আৰু কৰ্তব্য অত্যন্ত সীমাবদ্ধ বা সেইবোৰ ল’বলৈ ই প্ৰকাশ্যভাৱে অনিচ্ছুক, সেই সময়ত ৰাষ্ট্ৰসংঘৰ সমস্ত সমাজ আৰু ইয়াৰ বিভিন্ন শক্তি সমুহক লৈ বিশেষকৈ বাণিজ্যিক আৰু বৃত্তিগত পৰিসৰক সামৰি লোৱা এই নতুন ৰিফিউজি আৰু প্ৰব্ৰজনকাৰী নামৰে দুখন পৃথক চুক্তিয়ে কিছু পৰিমাণে বিশ্বক ৰিফিউজি আৰু প্ৰব্ৰজনকাৰী সুৰক্ষা সম্পৰ্কত নতুন চিন্তা-চৰ্চাৰ সুযোগ দিব বুলি আশা কৰা যায়।
- যিহেতু ৰাষ্ট্ৰসংঘৰ এই প্ৰয়াসে ৰিফিউজি আৰু প্ৰব্ৰজনকাৰীক এক আন্তৰ্জাতিক বিকশিত বিষয় (as subjects of global development) হিচাপে চিহ্নিত কৰিছে, তাৰ ফলত তেওঁলোকৰ সুৰক্ষাৰ যিবোৰ অসামঞ্জস্যতা (uneven) বিশেষকৈ সুৰক্ষিত অঞ্চল (sanctuaries), তৃতীয় দেশৰ হতস্পট, সীমান্তৱৰ্তী অঞ্চল ( border zones), সুৰক্ষিত ক’ৰিড’ৰ, বৈষম্যমূলক শ্ৰমিক ব্যৱস্থা বিশেষকৈ শ্ৰমিক আইনসমূহ, আন্তৰ্জাতিক অৰ্থনীতিৰ বেতনকেন্দ্ৰিক পৰিস্থিতিসমূহ, আৰু একে সময়তে সুৰক্ষা

আৰু অৰ্থনৈতিকভাৱে কাৰ্যনিৰ্বাহ কৰা অতন্ত্য সংবেদনশীল অংশসমূহত কিছু পৰিমানে নতুন চিন্তা-চৰ্চাৰ অৱকাশ দিব বুলি আশা কৰা যায়।

- জাতি, ধৰ্ম, বৰ্ণ, ক্ষমতা, যৌনতা বা যৌন পৰিচয়, লিংগ আৰু সম্পদৰ ভিত্তিত কৰা বৈষম্য আৰু শোষণ বা বৰ্জন, অৱদমন কোনো কাৰণতে মানি লোৱা নাযায়। এই প্ৰক্ৰিয়াই কোনো কাৰণতে সংখ্যাগৰিষ্ঠৰ, পুৰুষকেন্দ্ৰিক মানসিকতা, একদৰ্শী সাংস্কৃতিক মানসিকতাৰ প্ৰভূত্বক সমৰ্থন নকৰে কাৰণ এইবোৰ মানসিকতাই ৰিফিউজি আৰু প্ৰব্ৰজনকাৰীসকলৰ বা ৰাষ্ট্ৰবিহীন (Stateless) হৈ পৰা বিশেষকৈ নাৰীসকলৰ ব্যক্তিত্ব, বিষয়গত(Subjectivity), নাগৰিকত্ব আৰু তেওঁলোকৰ ৰাজনৈতিক আৰু সামজিক বিষয়ত ব্যক্তিগত নিৰ্ণয়ৰ দৰে অধিকাৰ আদি বিষয়বোৰ ভুলণ্ঠিত কৰাত অৰিহণা যোগায়।
- এই সকলোবোৰ সমগ্ৰ বিশ্বৰে ৰিফিউজি অৰ্থনীতি বা অভিবাসী(immigrant) অৰ্থনীতিৰ বৈশিষ্ট্য হিচাপে চালে, সমগ্ৰ পৰিস্থিতিয়ে কিছুমান প্ৰেক্ষাপট ডাঙি ধৰে – (ক) ৰিফিউজি আৰু বলপূৰ্বক প্ৰব্ৰজন, অ-আইনী অভিবাসী প্ৰব্ৰজন, স্থানীয়ভাৱে হোৱা প্ৰব্ৰজন(Internally Displaced Persons) আদিৰ মাজত এক গভীৰ সমন্ধ; (খ) একেদৰেই ৰিফিউজি অৰ্থনীতি আৰু অনানুষ্ঠানিক অৰ্থনীতিৰ মাজৰ এক অতি ঘনিষ্ঠ সম্বন্ধ; (গ) আনুষ্ঠানিক শ্ৰম আৰু অনানুষ্ঠানিক শ্ৰমৰ মাজৰ এক কথোপকথন (interface); (ঘ) ৰিফিউজি আৰু প্ৰব্ৰজনকাৰী শ্ৰমিকৰ দেশীয় আৰু আন্তৰ্জাতিক অৰ্থনীতিত ব্যৱহাৰ অথচ তেওঁলোকৰ গনতান্ত্ৰিক ৰাজনীতিৰ অধিকাৰৰ পৰা বঞ্চিতকৰণ; (ঙ) জাতি, ধৰ্ম, সম্পদ আৰু লিংগ আদিৰ ব্যাপক প্ৰভাৱ বা ৰিফিউজি আৰু বিদেশীকৰণত (aliens) এইবোৰৰ ওচৰ সম্বন্ধ; (চ) ফলত এই মুহূৰ্তত শ্ৰমৰ অধিকাৰৰ সৈতে, ৰাজনৈতিক অধিকাৰ আৰু ন্যায়সৰ্ম্পকীয় নীতিসমুহক সংশ্লিষ্টকৰণ; আৰু (ছ) ৰিফিউজি আৰু প্ৰব্ৰজনকাৰীৰ সুৰক্ষাৰ প্ৰশ্নবোৰক অন্যান্য নীতিগত আৰু ক্ষেত্ৰবিশেষে ন্যায় আৰু স্বাধীনতাৰ অন্যান্য ৰূপবিলাকৰ প্ৰেক্ষাপটত বিচাৰ বিশ্লেষণ কৰা।
- তদুপৰি সাম্প্ৰতিক কালত ব্যাপকতম ৰূপত বিশ্বত ৰাষ্ট্ৰহীন মানুহৰ সংখ্যা বৃদ্ধি পাইছে অৰ্থাৎ ৰাষ্ট্ৰৰ কোনো সুৰক্ষা নথকাকৈ জীয়াই থকা লোকৰ সংখ্যা ভয়াবহভাৱে বাঢ়িছে অথচ আজিৰ পৰম্পৰাগত বিশ্ব নৈতিকতা হ'ল ৰাষ্ট্ৰৰ নাগৰিকত্ব। ইয়াৰ বাহিৰত থকাৰ কোনোধৰণৰ ৰূপৰে কল্পনা সম্ভৱ নহয়।

অথচ এই সমস্যাসমূহ সৰ্ম্পকত বিভিন্ন আন্তৰ্জাতিক নিয়মু-কানুন থকাৰ পিছতো ৰিফিউজিসকল বিভিন্ন ৰাষ্ট্ৰসীমাৰেখাৰ মাজত ৰাষ্ট্ৰহীন হৈ থাকিব লগা হৈছে, দীৰ্ঘকালজুৰি ৰিফিউজি হৈ থকাৰ পিছতো ৰাষ্ট্ৰৰ নাগৰিকত্বৰ পৰা বঞ্চিত হ'ব লগা হৈছে আৰু ভয়াৱহভাৱে ৰিফিউজী পৰিচয় আৰু ৰাষ্ট্ৰবিহীনতাৰ পৰিচয়ৰ মাজৰ সীমাৰেখা যেন প্ৰায় নাইকিয়া হৈ যাবলৈ ধৰিছে। একেদৰে বহুবছৰ ধৰি এখন দেশত বাস কৰা নাগৰিক হঠাৎ ৰাষ্ট্ৰহীন হ'ব লগা হৈছে, আনকি ৰিফিউজিধৰণৰ পৰিচয়ৰ প্ৰক্ৰিয়ালৈ নোযোৱাকৈ- কাৰণ সেই সেই ৰাষ্ট্ৰ সমুহে কৰা নতুন নাগৰিকত্ব আইনে তেওঁলোকক বঞ্চিত কৰে। ফলত নতুন ৰাষ্ট্ৰৰ গঠন বা ৰাষ্ট্ৰ এখনৰ ৰাজনৈতিক সীমাৰ পুন:নিৰ্ধাৰণ আদিয়ে সেই সেই অঞ্চলত বহুদিন ধৰি বাস কৰা লোকক ৰাষ্ট্ৰবিহীন কৰি তোলে। একদৰে ৰাষ্ট্ৰহীনতা বৃদ্ধি পাইছে সংখ্যালঘুৰ ওপৰত শোষণ অৱদমন, সংখ্যাগুৰুৰ প্ৰভূত্বকামী মানসিকতাই যেতিয়া ৰাষ্ট্ৰ এখনক প্ৰভাবান্বিত কৰিবলৈ ধৰে তেতিয়াও ৰাষ্ট্ৰৰ পৰা তাৰ সংখ্যালঘু নাগৰিকক খেদি দিয়া ধৰণৰ প্ৰয়াসবোৰৰ পৰাও ৰাষ্ট্ৰবিহীন লোকৰ সংখ্যা বৃদ্ধি হয়।

- বিশেষকৈ দক্ষিণ এছিয়াত যিহেতু বেছিভাগ ৰাষ্ট্ৰৰ মাজতে সীমা সমস্যা, আন্ত:সীমা চলাচল আদিয়ে সৃষ্টি কৰা নানান সমস্যাৰ ফলশ্ৰুতিত ৰাষ্ট্ৰসমূহহে নাগৰিকত্বৰ আইনসমূহ কঠোৰৰ পৰা কঠোৰতম কৰি তুলিছে। যাৰ ফলত ৰাষ্ট্ৰসমূহৰ সাংস্কৃতিক আৰু ভৌগলিক প্ৰান্তীয় ঠাইসমূহত ৰাষ্ট্ৰবিহীনতাৰ পৰিস্থিতি আৰু প্ৰেক্ষাপট বৃদ্ধি পাবলৈ ধৰিছে। এই পৰিস্থিতিক আকৌ দৃঢ় কৰিছে ৰাষ্ট্ৰসমূহৰ মাজত হোৱা আনুষ্ঠানিক বা অনানুষ্ঠানিক শ্ৰমিকৰ প্ৰব্ৰজনে। ৰাষ্ট্ৰসমূহে অন্য ৰাষ্ট্ৰক এইসকল লোকৰ প্ৰত্যাৱৰ্তন দাবী তুলিলে, বেছিভাগেই তেওলোকৰ প্ৰত্যাৱৰ্তনৰ বিৰোধিতা কৰে ফলত সেই সকল মানুহ স্বাভাৱিকতেই ৰাষ্ট্ৰবিহীন হৈ পৰে।
- এনে পৰিস্থিতিত সাম্প্ৰতিক কালৰ আইন আৰু ন্যায়ৰ ব্যৱস্থাসমূহে এইবিলাক সমাধান কৰিব পৰাকৈ উপযুক্ত নহয়। দক্ষিন এছিয়াৰ স্বৰাজত্তোৰ কালৰ অভিজ্ঞতাই এই অঞ্চলটোৰ আইন আৰু ন্যায় ব্যৱস্থাৰ ফুলপ্ৰুফ বিকাশৰ দাবী কৰে, বিশেষকৈ প্ৰব্ৰজনগত পৰিস্থিতিৰ ঐতিহাসিক অৱলোকনৰ মাজৰে। সেইদৰে ন্যায়িক অভিজ্ঞতা আৰু বৰ্তমানৰ পৌৰ আৰু আন্তৰ্জাতিক আইনৰ মাজত থকা নানান বৈচিত্ৰতা আদিৰ পৰিপ্ৰেক্ষিতত অঞ্চল বিশেষে বা অঞ্চলসমূহৰ নিজা

পৰিস্থিতিগত ধ্যান-ধাৰনাৰ ভিত্তিত ৰাষ্ট্ৰবিহীনতা সৰ্ম্পকীয় বিশ্বৰ বিভিন্ন অঞ্চলত আঞ্চলিক আইন প্ৰনয়ণ কৰা।

- ইৰাক, চিৰিয়া, ইজৰাইল-পেলেষ্টাইন, য়েমেন আৰু আফগানিস্তানৰ পৰা মধ্য এছিয়া আৰু কেকেচাছ অঞ্চলত যুদ্ধ বিয়পি পৰাৰ ফলত আৰু দক্ষিণ এছিয়া, দক্ষিণ-পূব এছিয়া আৰু ভাৰত মহাসাগৰ অঞ্চলত নাগৰিক বিতাড়ন আৰু নাগৰিকত্ব খৰ্ব কৰাৰ ফলত সমগ্ৰ এছিয়া অঞ্চলটোৱেই জনসংখ্যা-প্ৰবাহৰ দিশৰ পৰা এতিয়া এটা অন্যতম স্পৰ্শকাতৰ অঞ্চল হৈ পৰিছে, য'ত ৰিফিউজি সংকটে অভাৱনীয় ৰূপ ল'ব লৈছে। ম্যানমাৰৰ পৰা ৰহিংগিয়া সকলৰ এক্সোডাচ ইয়াৰ এটা শেহতীয়া উদাহৰণ। এই সকলোবোৰ ঘটনাই ভাৰত উপমহাদেশৰ পাৰ্টিচনৰ সময়ৰ জনসংখ্যাৰ বিৰাট স্ৰোটৰ তুলনাবিহীন ঘটনা-প্ৰবাহকেই অনুসৰণ কৰিছে আৰু যোৱা কেইবা দশক ধৰি ৰিফিউজি, শৰণাৰ্থী, প্ৰব্ৰজিত শ্ৰমিক আৰু নাবলিকা, শিশু আৰু মহিলাৰ সৰবৰাহ সৃষ্টি কৰিছে। এই ঘটনা বিলাকৰ লগতে আৰু কিছু বিষয় যোগ হৈ পৰিছে। যেনে, মালয়েছিয়া, ভাৰত, তুৰ্কী আৰু অন্য দেশবিলাকলৈ এছিয়াৰ অন্য দেশ সমূহৰ পৰা প্ৰব্ৰজিত শ্ৰমিকৰ স্ৰোত। কঠোৰ সীমা-নিয়ন্ত্ৰণ, হিংসা-সংঘৰ্ষ পিড়িত সীমান্ত অঞ্চল, শ্ৰমিক অধিকাৰ নোহোৱা আৰু একেবাৰেই নগণ্য মজুৰি আদিয়ে এই পৰিস্থিতি আৰু অধিক সংকটময় কৰি তুলিছে। গতিকে, এছিয়াৰ পৰিস্থিতিয়ে ৰিফিউজি, ৰাষ্ট্ৰহীন লোক আৰু প্ৰব্ৰজিত মানুহৰ সুৰক্ষাৰ গোলকীয় শাসন-প্ৰণালীটো গভীৰ ভাবে বিবেচনা কৰি চোৱাৰ কথা দাবী কৰে।

- এছিয়াৰ পৰিস্থিতিয়ে দ্বৰ্থ্যহীন ভাবে ৰিফিউজি, শৰণাৰ্থী, ৰাষ্ট্ৰহীন লোক, প্ৰব্ৰজিত শ্ৰমিক আৰু আন্ত:ৰাষ্ট্ৰীয় ভাবে বিতাড়িত মানুহৰ নিৰাপত্তা, মৰ্যদা আৰু সুৰক্ষাৰ কথাবিলাক নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয়, আঞ্চলিক, নগৰিক সমাজ, দ্বিপাক্ষিক আৰু চহৰ আদি বিভিন্ন পৰ্যায়ত আলাপ-আলোচনাৰ বাবে আৰু অধিকতৰ প্ৰচেষ্টাৰ দাবী কৰে।

ঘোষণা কৰে যে,

১। প্ৰব্ৰজনৰ অধিকাৰ (The right to move) এটা সাৰ্বজনীন মানৱ অধিকাৰ আৰু কোনো ধৰণৰ নীতি আৰু ব্যৱস্থাপনাৰ জৰিয়তে এই অধিকাৰৰ ওপৰত বাধা-নিষেধ আনি মানুহৰ মৰ্যদা হানি কৰা উচিত নহয়।

২। ৰিফিউজি, প্ৰব্ৰজিত মানুহ, শৰণাৰ্থী, ৰাষ্ট্ৰহীন লোক, অন্য বিতাড়িত মানুহ সকলেই সকলো সুৰক্ষা-ব্যৱস্থা, আইনী-ব্যৱস্থাপ্ৰণালী, চৰকাৰী আৰু সামাজিক অনুষ্ঠানৰ মূল আধাৰ।

৩। গোলকীয় চুক্তিৰ ধাৰণা এটাই বিভিন্ন আঞ্চলিক, দেশীয়, স্থানীয়, ৰীতিগত, নাগৰিক আৰু অন্য বিভিন্ন মাত্ৰাত সুৰক্ষাৰ অনুশীলনবিলাক স্বীকাৰ কৰিবই লাগিব। বহনক্ষম সমাধানৰ লক্ষ্য আগত ৰখা যিকোনো গোলকীয় চুক্তি ৰিফিউজি, প্ৰব্ৰজিত মানুহ, ৰাষ্ট্ৰহীন লোক আৰু তেওঁলোকক সমৰ্থন কৰা গোটবিলাকক জড়িত কৰি হোৱা আলাপ-আলোচনাৰ ভিত্তিত হ'ব লাগিব।

৪। সকলো মানুহৰ অধিকাৰ আৰু মৰ্যদা হানি কৰিব পৰা বৰ্ণ, ধৰ্ম, জাতি, সক্ষমতা, যৌনতা, লিঙ্গ আৰু শ্ৰেণীভিত্তিক অন্যায়-অবিচাৰৰ বিৰুদ্ধে থিয় দিব পৰাকৈ যিকোনো সুৰক্ষা কাঠামো গোলকীয় বা স্থানীয় পৰ্যায়ত হ'ব লাগিব।

৫। গোলকীয় সুৰক্ষা কাঠামোৰ যিকোনো ধৰনৰ পুনৰাৰ্হি কৰণৰ ক্ষেত্ৰত, হিংসা আৰু বিতাড়ন সংঘটিতকাৰী সকলক তেওঁলোকে কৰা কৰ্মৰ বাবে জবাবদিহি কৰিব লাগিব।

৬। অসংগঠিত শ্ৰমিকৰূপে নিয়োজিত ৰিফিউজি, প্ৰব্ৰজিত মানুহ আৰু ৰাষ্ট্ৰহীন লোকসকল সামাজিক আৰু অৰ্থনৈতিক অধিকাৰ লাভ কৰিবৰ যোগ্য হিচাবে বিবেচিত হ'ব ।

৭। ৰাষ্ট্ৰহীন লোকসকলৰ সুৰক্ষাৰ কথাটো অগ্ৰাধিকাৰ দিব লাগিব। তেওঁলোকৰ নাগৰিকত্বৰ অধিকাৰ পুনৰুদ্ধাৰ এটা বিশ্ব-দায়বদ্ধতাৰ বিষয়।

৮। এছিয়াৰ ব্যাপক forced migration আৰু ৰাষ্ট্ৰহীন লোকসকলৰ প্ৰেক্ষাপটত African Charter of Human and People's Right আৰু ইয়াৰ আঞ্চলিক ব্যৱস্থা আৰু অনুষ্ঠানৰ আৰ্হিত এক ধৰনৰ সুৰক্ষা-প্ৰণালীৰ প্ৰয়োজন। প্ৰব্ৰজিত মানুহ, শৰণাৰ্থী, ৰিফিউজি

আৰু ৰাষ্ট্ৰহীন লোকসকলৰ শ্ৰমিক অধিকাৰ আদি সামৰি সকলোৰে বাবে মৰ্যদা আৰু অধিকাৰ সুনিশ্চিত কৰণৰ বাবে এনেকুৱা এখন দলিলত মানৱ অধিকাৰৰ বিশেষ চৰ্ত-বিধান থাকিব।

অভিজিত দাস(ভাৰত); সুদীপ বসু(ভাৰত); তানিয়া দাস(ভাৰত); ল'ৰেন্স জুমা(দক্ষিণ আফ্ৰিকা); অপলা কুন্ডু(ভাৰত); অদিতি মুখাৰ্জী(ভাৰত); সমৰেশ গুচ্চাইত(ভাৰত); সুনীল কুমাৰ কুন্ডু(ভাৰত); এজীঅ' পুইয়া(ইটালী;আনা ডানেৰী(ইটালী); মহাপ্ৰভু সেন(ভাৰত); ষ্টেফানী ক্ৰন(জাৰ্মানী); সুভাষ হালদাৰ(ভাৰত); দেৱাশীষ দাস(ভাৰত); শুভজিত বাগচী(ভাৰত); নীলাঞ্জনা চক্ৰৱৰ্তী(ভাৰত); আন্তজে ষ্টেইবিট্জ (জাৰ্মানী); পি. দত্ত ৰয়(ভাৰত); ৰাজকুমাৰ নাগৰাজ(শ্ৰীলংকা); জাচিন্তা কোৰেলহো(অষ্ট্ৰেলিয়া); মেলিছা জু(অষ্ট্ৰেলিয়া); দিশা ঘোষ(ভাৰত); ৰুচিকা গুপ্তা(ভাৰত); জ্যোৎস্না শ্ৰীবাস্তৱ(ভাৰত); শান্তি সৰকাৰ(ভাৰত); ৰণবীৰ সমাদ্দাৰ(ভাৰত); সম নিৰলা(নেপাল); মুজিব আহমদ আজিজি(আফগানিস্তান); জেনিফাৰ হাইনগুমেন(কানাডা); উইলিয়াম ৱালটাৰ্ছ(কানাডা); ইট্টি আব্ৰাহাম(ছিংগাপুৰ); ঝুম্পা বসু(ভাৰত); ডেভিড নিউমেন(ইজৰাইল); সুচাৰিতা সেনগুপ্ত(ভাৰত); ৰাণু বসু(কানাডা); ফেডেৰিক' ৰাহ'লা(ইটালী); অৰূপ কুমাৰ সেন(ভাৰত); অংকিতা মান্না(ভাৰত); অশোক কুমাৰ গিৰি(ভাৰত); নাছৰিন চৌধুৰী(ভাৰত); জি.এম.আৰিফোজ্জামান(বাংলাদেশ); সাজিদ আহমেদ ফাহুৰুদ্দিন(শ্ৰী লংকা); বুদ্ধ সিং কেপচ্চাকি(নেপাল); সোমদত্ত চক্ৰৱৰ্তী(ভাৰত); মৌচুমী চেতিয়া(ভাৰত); এম.ইব্ৰাহিম ৱানী(ভাৰত); শ্যামলেন্দু মজুমদাৰ(ভাৰত); সাঞ্জা ব'জানিক(ক্ৰ'এছিয়া); এঞ্জেলা স্মিথ(অষ্ট্ৰেলিয়া); ৰাজ কুমাৰ মাহাতো(ভাৰত); ৰমা সিং(ভাৰত); মেঘা সিং(ভাৰত); স্বাতিলেখা ভট্টাচাৰ্য(ভাৰত); মিচেল চেন(অষ্ট্ৰেলিয়া); ভি.কে.ত্ৰিপাঠী(ভাৰত); পাৱলো নোভাক( ইউনাইটেড কিংডম); সৃতাপা চক্ৰৱৰ্তী(ভাৰত); ৰেছমী বেনাৰ্জী(ভাৰত); এছ.ইৰুদায়া ৰাজন(ভাৰত); সব্যসাচী বসু ৰয়চৌধুৰী(ভাৰত); মাইকেল ফেইনাৰ(ভাৰত); সমতা বিশ্বাস(ভাৰত); অজিত কুমাৰ পংকজ(ভাৰত); জৰ্জিয়া ডনা(ইউনাইটেড কিংডম); ৰজত ৰয়(ভাৰত); জানাইনা গাভাও(ব্ৰাজিল); মতন কামিনেৰ(আমেৰিকা যুক্তৰাষ্ট্ৰ); ইন্দ্ৰজিত মজুমদাৰ(ভাৰত); সাগৰ বিশ্বাস(ভাৰত); দেৱাঞ্জন কৰ(ভাৰত); আই. আচাৰ্য(ভাৰত); তন্ময় মালাকাৰ(ভাৰত); শিৱাজী প্ৰতিম

বসু(ভাৰত); কাতজা ভছ(জাৰ্মানী); জৰ্জ স্কাল্টজ্(জাৰ্মানী); অদিতি সবৰৱাল(ভাৰত); সুশীল কুমাৰ(ভাৰত); শিৱাশীষ চেটাৰ্জী(ভাৰত); অমিতাভ ভট্টচালি(ভাৰত); প্ৰশান্ত ৰয়(ভাৰত); অনসূয়া বসু ৰয়চৌধুৰী(ভাৰত); শিপ্ৰা মুখাৰ্জী(ভাৰত); কে. বন্দোপাধ্যায়(ভাৰত); ৰূপশ্ৰী যোশী(নেপাল); আব্দুল কালাম আজাদ(ভাৰত); বিনীতা কুমাৰী(ভাৰত); চাহানা বাসৰপাটনা(ভাৰত); সুদীপ্ত সেনগুপ্ত(ভাৰত); পিটাৰ ব'জানিক(ছাৰ্বিয়া); আয়সি কাগলাৰ(অষ্ট্ৰেলিয়া); মেঘনা গুহঠাকুৰতা(বাংলাদেশ); আইৰিণ পিয়ান'(পৰ্টুগাল); ৰবীন দাও(ভাৰত); শতাব্দী দাস(ভাৰত); সাহনাজ ৰানু(ভাৰত); সাঁজিদা জেচমিন(ভাৰত); উৰ্মি মুখোপাধ্যায়(ভাৰত); অনিতা সেনগুপ্ত(ভাৰত); প্ৰিয়া সিং(ভাৰত); ৰতন চক্ৰৱৰ্তী(ভাৰত); শোভশ্ৰী ৰাউত(ভাৰত)

ক'লকাতা

**৩০,নবেম্বৰ, ২০১৮**